NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। কেন্দ্ৰত নতুন চৰকাৰৰ শপতগ্ৰহণৰ বাবে প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কাইলৈ একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপত ল'ব।

২। চুবুৰীয়া দেশৰ ভালেসংখ্যক নেতাক মোদীৰ শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে।

৩। কংগ্ৰেছ দলৰ সম্প্ৰসাৰিত কাৰ্যকৰী কমিটিয়ে সৰ্বসন্মতি ক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰি ৰাহুল গান্ধীক লোকসভাৰ বিৰোধী পক্ষৰ নেতাৰ ভূমিকা পালন কৰিবলৈ অনুৰোধ জনাইছে।

৪। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত  নামভৰ্তিৰ বাবে আয়োজিত নীট পৰীক্ষা চলিত বৰ্ষত সম্পূৰ্ণ স্বচ্ছতা বজাই ৰাখি অনুষ্ঠিত কৰা বুলি  প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰত কাইলৈ টি-২০ বিশ্বকাপ প্ৰতিযোগিতাৰ গ্ৰুপ এৰ নিজৰ দ্বিতীয়খন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

কেন্দ্ৰত নতুন চৰকাৰৰ শপতগ্ৰহণৰ বাবে প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীক চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাইছে। ৰাষ্ট্ৰপতি ভৱনত কাইলৈ সন্ধিয়া ৭ বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰী তথা নতুন চৰকাৰ শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ৰাষ্ট্ৰপতিয়ে নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী হিচাপে পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব।

প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত হোৱাৰ পাছত নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে। ইয়াৰ পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতৃত্বত এন ডি এ-ৰ এটা প্ৰতিনিধি দলেও ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নৰেন্দ্ৰ মোদীক বিজেপি সংসদীয় দলৰ নেতা হিচাপে বাছনি কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰদান কৰে। এন ডি এৰ অংশীদাৰ দলসমূহৰ সমৰ্থনৰ পত্ৰও ৰাষ্ট্ৰপতিৰ ওচৰত অৰ্পণ কৰা হয়।

ৰাষ্ট্ৰপতিক সাক্ষাতৰ পাছত ৰাষ্ট্ৰপতি ভৱনৰ বাহিৰত শ্ৰীমোদীয়ে কয় যে, এন ডি এই এখন শক্তিশালী, সুস্থিৰ আৰু বিকাশমুখী চৰকাৰ গঠন কৰিব। শ্ৰীমোদীয়ে কয় যে, ৰাষ্ট্ৰপতিয়ে তেওঁক কাৰ্যবাহী প্ৰধানমন্ত্ৰী হিচাপে মনোনীত কৰিছে আৰু তেওঁ ৰাষ্ট্ৰপতিক দেওবাৰে শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰিলে কোনো অসুবিধা নাই বুলি অৱগত কৰিছে।

তেওঁ কয় যে, জনসাধাৰণে এন ডি এ চৰকাৰক আন এটা সুযোগ দিছে আৰু ইয়াৰ সদ্ব্যৱহাৰ কৰি তেওঁৰ চৰকাৰে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব। তেওঁ কয় যে, সুস্থিৰ চৰকাৰ দেশ, অৰ্থব্যৱস্থা আৰু যুৱ প্ৰজন্মৰ বাবে লাভদায়ক প্ৰমাণিত হ'ব। শ্ৰীমোদীয়ে তেওঁৰ চৰকাৰে ৰাষ্ট্ৰৰ দ্ৰুত বিকাশৰ বাবে চেষ্টাৰ অকণো ত্ৰুটি নকৰে বুলি প্ৰকাশ কৰে।

আমাৰ সংবাদদাতাই জনাইছে যে, চুবুৰীয়া দেশৰ ভালেসংখ্যক নেতাক একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিবলগীয়া নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। চুবুৰীয়া ৰাষ্ট্ৰ আৰু ভাৰত মহাসাগৰ অঞ্চলৰ কেইবাগৰাকীও নেতা শপতগ্ৰহণ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

বিদেশ মন্ত্ৰালয়ে কৈছে যে, শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰাণীল বিক্ৰম সিংঘে, মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জু, চিচিলিৰ উপ-ৰাষ্ট্ৰপতি অহমদ অফিফ, বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা, মৰিছাচৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ জগনৌথ, নেপালৰ প্ৰধানমন্ত্ৰী পুষ্পকমল দাহাৰ প্ৰচণ্ড আৰু ভূটানৰ ৰাষ্ট্ৰপতি শ্বেৰিং টোবগে শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা শপতগ্ৰহণ অনুষ্ঠানত ভাগ লোৱাৰ বাবে ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে শপতগ্ৰহণত অংশগ্ৰহণ কৰিবলগীয়া এই নেতাসকলে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে কাইলৈ ৰাষ্ট্ৰপতি ভৱনত আয়োজন কৰা নৈশ ভোজত অংশগ্ৰহণ কৰিব। ভাৰতৰত চুবুৰীয়া প্ৰথম নীতি আৰু অঞ্চলটোৰ সকলোৰে সুৰক্ষা আৰু বিকাশ দৃষ্টিভংগী অনুসৰি এই নেতাসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। দিল্লী আৰক্ষীয়ে শপত গ্ৰহণ অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত কঠোৰ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিছে। শপতগ্ৰহণ অনুষ্ঠানৰ সময়ছোৱাত দিল্লীত পেৰাগ্লাইডাৰ, পেৰাম'টৰ্ছ, হেংগ্লাইডাৰছ, মানৱৰহিত আকাশী যান আৰু উষ্ম বায়ু বেলুনসহ উপ-পৰম্পৰাগত আকাশী যানৰ উৰণৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিষেধাজ্ঞা পৰৱৰ্তী দুদিনলৈ প্ৰযোজ্য থাকিব।

০০০০০০০০

ওড়িশাত সোমবাৰে বিজেপিৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণৰ প্ৰস্তুতি অব্যাহত আছে। এই শপতগ্ৰহণ অনুষ্ঠান ভূবনেশ্বৰৰ জনতা ময়দানত অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে সেইদিনা পুৱা বিজেপিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰস্তুতি চলি আছে যদিও বিজেপিয়ে এই পৰ্যন্ত মুখ্যমন্ত্ৰী কোন হ'ব সেয়া চূড়ান্ত কৰা নাই। জানিব পৰা মতে দিল্লীত দলৰ সংসদীয় পৰিষদে ওড়িশাৰ নতুন মুখ্যমন্ত্ৰী নিৰ্বাচন কৰিব। বিজেপিৰ ৭৮ গৰাকী বিধায়কেৰে গঠিত বিধায়িনী দলৰ বৈঠকত নেতা নিৰ্বাচন কৰা হ'ব আৰু এই বৈঠকত দলৰ দুগৰাকী কেন্দ্ৰীয় পৰ্যৱেক্ষক উপস্থিত থাকিব। মুখ্যমন্ত্ৰীপদৰ বাবে সম্ভাব্য কেইবাগৰাৰীও প্ৰাৰ্থীৰ নাম উচ্চাৰিত হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হৈছে ছবাৰৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী জুৱেল অ'ৰাম, জ্যেষ্ঠ নেতা তথা সাংসদ ধৰ্মেন্দ্ৰ প্ৰধান, নৱনিৰ্বাচিত বিধায়ক ক্ৰমে সুৰেশ পূজাৰী, মোহন চৰণ মাঝি আৰু জম্মু-কাশ্মীৰৰ প্ৰাক্তন উপ-ৰাজ্যপাল তথা **কেগ** গিৰীশ চন্দ্ৰ মুৰ্মু। ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰত বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে ওড়িশাৰ নতুন মুখ্যমন্ত্ৰীগৰাকী ভূমিপুত্ৰ হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল। বিজেপিয়ে ওড়িশাৰ বিধানসভা নিৰ্বাচনত মুঠ ১৪৭খন আসনৰ ভিতৰত ৭৮ খনত বিজয় সাব্যস্ত কৰে। আনহাতে বি জে ডিয়ে ৫১ খন, কংগ্ৰেছে ১৪ খন আৰু অন্যান্য দলে ৪খন আসন লাভ কৰে।

০০০০০০০০

কংগ্ৰেছ দলৰ সম্প্ৰসাৰিত কাৰ্যকৰী কমিটিয়ে সৰ্বসন্মতি ক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰি ৰাহুল গান্ধীক লোকসভাৰ বিৰোধী পক্ষৰ নেতাৰ ভূমিকা পালন কৰিবলৈ অনুৰোধ জনাইছে। নতুন দিল্লীত আজি অনুষ্ঠিত কংগ্ৰেছ দলৰ কাৰ্যকৰি কমিটিৰ বৈঠকৰ অন্তত এখন সংবাদ মেল সম্বোধন কৰি দলৰ জ্যেষ্ঠ নেতা কে চি বেণুগোপালে কয় যে, কাৰ্যকৰী কমিটিয়ে ৰাহুল গান্ধীৰ নেতৃত্বত শক্তিশালী আৰু সতৰ্ক বিৰোধীৰ গঠন হ'ব বুলি বিশ্বাস কৰে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে কয় যে, সদ্যসমাপ্ত নিৰ্বাচনৰ পৰা দলে নতুন শক্তি লাভ কৰিছে। তেওঁ কয় যে, কংগ্ৰেছে নিৰ্বাচনত ৰাজ্যিক পৰ্যায়ত  দলৰ প্ৰদৰ্শনৰ পুংখানুপুংখ বিশ্লেষণ কৰিব।

ইয়াৰ পূৰ্বে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই বৈঠকৰ আৰম্ভণিতে প্ৰতিকূল পৰিস্থিতি স্বত্বেও নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈ জয়লাভ কৰা দলৰ নৱ-নিৰ্বাচিত সদস্যসকলক অভিনন্দন জনায়। তেওঁ কয় যে, কংগ্ৰেছে ন্যায় যাত্ৰা আৰম্ভ কৰা মণিপুৰৰ দুয়োখন আসনতে জয়লাভ কৰিছে আৰু নাগালেণ্ড, অসম, মেঘালয়তো ভাল প্ৰদৰ্শন দেখুৱাবলৈ সমৰ্থ হৈছে। কংগ্ৰেছ দলে গণতন্ত্ৰ আৰু সংবিধানৰ ৰক্ষাৰ বাবে সমগ্ৰ দেশত জনসাধাৰণৰ পৰা যথেষ্ট সমৰ্থন লাভ কৰিছে বুলি সভাপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰী খাৰ্গে কয় যে, দলে আই এন ডি আই মিত্ৰজোঁটৰ সহযোগী দলসমূহৰ সৈতে সংসদৰ বাহিৰে ভিতৰে ঐক্যবদ্ধভাৱে কাম কৰিব।

বৈঠকত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ নেত্ৰী ছোনীয়া গান্ধী, ৰাহুল গান্ধী আৰু দলৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৰাদ্ৰাকে ধৰি দলীয় নেতাসকল উপস্থিত থাকে।

০০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা, NTAয়ে কৈছে যে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে আয়োজিত ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা NEET-UG ২০২৪ৰ সমগ্ৰ প্ৰক্ৰিয়াটো অতি স্বচ্ছ আৰু সমগ্ৰ দেশতে পৰীক্ষাৰ সততাৰ লগত কোনোধৰণৰ আপোচ কৰা হোৱা নাছিল। যোৱা ৫ মে'ত অনুষ্ঠিত হোৱা পৰীক্ষাৰ ফলাফল ৪ জুনত ঘোষণা কৰা হৈছে। পৰীক্ষাৰ্থীসকলে উত্থাপন কৰা বিষয়সমূহক লৈ নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি এন টি এৰ সঞ্চালক প্ৰধান সুবোধ কুমাৰ সিঙে কয় যে প্ৰশ্ন কাকত ফাদিল হোৱা নাই। তেওঁ কয়, NEET পৰীক্ষা সম্পৰ্কীয় বিষয়টো প্ৰশ্নকাকতৰ ভুল বিতৰণৰ বাবে ছটা কেন্দ্ৰ আৰু সময় কমকৈ পোৱা ১৬০০ পৰীক্ষাৰ্থীৰ সৈতে জড়িত। তেওঁ কয় যে এন টি এয়ে এই এহেজাৰ ৬০০ গৰাকী শিক্ষাৰ্থীৰ অভিযোগ বিশ্লেষণ কৰিবলৈ এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰিছে।

০০০০০০০০

মনোনীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰী মেটে ফ্ৰেডিক্‌ছনৰ ওপৰত হোৱা আক্ৰমণক গৰিহণা দিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যম যোগে কৈছে যে, তেওঁক ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰীৰ ওপৰত হোৱা আক্ৰমণৰ বাতৰিয়ে চিন্তিত কৰি তুলিছে। মনোনীত প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে শ্ৰীফ্ৰেডিক্‌ছনৰ সুস্বাস্থ্য কামনা কৰিছে। ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰীক কালি সন্ধিয়া কোপেনহেগেনত এগৰাকী ব্যক্তিয়ে আক্ৰমণ কৰিছিল।

০০০০০০০০

ভাৰত কাইলৈ টি-২০ বিশ্বকাপ প্ৰতিযোগিতাৰ গ্ৰুপ এৰ নিজৰ দ্বিতীয়খন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নিউয়ৰ্কৰ নাচাউ কাউণ্টি আন্তঃৰাষ্ট্ৰী ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এই খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে নিজৰ প্ৰথমখন খেলত আয়াৰলেণ্ডক ৮ উইকেটত পৰাস্ত কৰাৰ বিপৰীতে পাকিস্তান দল প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাতত ৫ ৰানত পৰাজিত হৈছে।

০০০০০০০০

FIH Pro leagueত হকী প্ৰতিয়োগিতাত ভাৰতে আশাব্যঞ্জক আৰম্ভণি সত্বেও জাৰ্মানীৰ হাতত ৪-২ গ'লত পৰাজিত হয়। ভাৰতে খেলৰ আৰম্ভণিতে ২টাকৈ গল দি খেলখনত আধিপত্য বিস্তাৰ কৰে যদিও জাৰ্মানীয়ে খেলৰ দ্বিতীয়াৰ্ধত ভাৰতক চাপত ৰাখিবলৈ সমৰ্থ হয়। ভাৰতৰ ৰক্ষাক্ৰম জাৰ্মানীৰ ধাৰাবাহিক আক্ৰমণৰ ফলত দুৰ্বল হৈ পৰে। জাৰ্মানসকলে সুযোগ গ্ৰহণ কৰি খেলখনত ৪-২ ৰ ব্যাৱধানত জয়লাভ কৰে।

০০০০০০০০

সমাপ্ত